আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, MARCH 02, 2024>> 10 PM | www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৬৫ | Guwahati, Assam ।। মূল্যঃ এটকা

## সুৰেশ বৰাক নগাঁৱৰ প্ৰাৰ্থিত্ব, ৰাণা হ'ল উপ-সভাপতি

# কংগ্ৰেছীক আদৰ বিজেপিৰ




ই-সংবাদ, ২ মাৰ্চঃ লোকসভা নিৰ্বাচনৰ পূৰ্বে শাসকীয় বিজেপি দললৈ অনা নেতাসকলক লোভনীয় পদ তথা প্ৰাৰ্থিত্বকে ধৰি বিভিন্ন আকৰ্ষণীয় উপহাৰ দিবলৈ আৰম্ভ কৰিছে দলটোৱে। বিশেষকৈ কংগ্ৰেছৰ পৰা অহা শেষাংশ ৪ পৃষ্ঠাত

## লুৰীণক চিন্তাত পেলাই ডিব্ৰুগড়ত চূড়ান্ত সৰ্বানন্দ

ই-সংবাদ, ২ মাৰ্চঃ অপেক্ষাৰ অন্ত পেলাই আজি অসমৰ লগতে দেশৰ ১৯৫খন আসনৰ বাবে শেষাংশ ৪ পৃষ্ঠাত

## বৰপেটা নাপাই মুখ্যমন্ত্ৰীক গালি দিলে এলাগী অশোকে

**ই-সংবাদ, নলবাৰী, ২ মাৰ্চঃ** বিজেপিয়ে সহযোগী দল অসম গণ পৰিষদক বৰপেটা সংসদীয় সমষ্টি এৰি দিয়াত অসন্তুষ্ট বিজেপিৰ অতি পুৰণি নেতা তথা নলবাৰীৰ প্ৰাক্তন বিধায়ক অশোক শৰ্মা। বিজেপিয়ে বৰপেটা আসনখন এৰি দিয়াত ক্ষোভত গুজৰি-গুমৰি থকা অশোক শৰ্মাই পুৰণি বিজেপি নেতা আজি দলত এলাগী বুলি আক্ষেপ প্ৰকাশ কৰে। শেষাংশ ৩ পৃষ্ঠাত



## নিজৰ মূৰত আৰক্ষী বিষয়াই ফুটালে গুলী

**ই-সংবাদ, চাবুৱা, ২ মাৰ্চঃ** ৰাজ্যত পুনৰ সংঘটিত হৈছে এক চাঞ্চল্যকৰ কাণ্ড। এগৰাকী উচ্চপদস্থ আৰক্ষী বিষয়াই নিজ পিষ্টলেৰে প্ৰথমে মহিলাক হত্যা কৰাৰ প্ৰয়াস কৰাৰ লগতে নিজ মূৰত শেষাংশ ৫ পৃষ্ঠাত

## 'কা'ক লৈ এইবাৰ মৌন জুবিন! কিনিলে নতুন ৰেঞ্জ ৰভাৰ



**ই-সংবাদ, ২ মাৰ্চঃ** ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিভিন্ন দল-সংগঠনে প্ৰতিবাদ আৰম্ভ কৰিছে। কেইবাঠাইত আন্দোলন দমন কৰিবলৈ আৰক্ষীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ শেষাংশ ৫ পৃষ্ঠাত

A.V.M. DISTANCE LEARNING EDUCATION CENTRE
ADMISSIONS OPEN
For BOARD (X & XII) Science/Arts/Commerce
Board of Open Schooling & Skill Education (BOSSE)
COBSE & AHSEC, ASSAM GOVT. RECOGNISED BOARD
Delhi State Open School (DSOS)
CENTERS FOR
Suresh Gyan Vihar University, Rajasthan (Distance & Online Course)
Mangalyatan University, UP (Distance & Online Course)
Asian International University, Manipur (Ragular & Vocational Course)
Maharaja Agrasen Himalayan Garwal University (HGU), Uttarakhand (Ragular & Vocational Course)
Sikkim Professional University, Sikkim (Regular, Distance & Online Course)
All University Courses Available

CAMPUS
Axom Vidyamandir, Bhabanipur, Noonmati, Ghy.-20
E-mail : axomvidyamandir@gmail.com
Website : www.axomvidyamandir.in
MAIN CAMPUS
A.V.M. COLLEGE
3rd & 4th Floor
K & J Tower, Last gate
Opp. Asom Jatiya Vidyalaya
Noonmati, Guwahati-20
For more information call us
98591 18357, 95770 88427, 7086788385

## বাৰাণসীত মোদী, ১৯৫ সমষ্টিৰ প্ৰাৰ্থী তালিকা প্ৰকাশ

**নতুন দিল্লী, ২ মাৰ্চঃ** ১৯৫ গৰাকী প্ৰাৰ্থীৰ নামৰ তালিকাৰে নিৰ্বাচনী কুচকাৱাজ তীব্ৰতৰ কৰি তুলিলে ভাৰতীয় জনতা পাৰ্টিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত তৃতীয়বাৰৰ বাবে ক্ষমতা দখলৰ যুঁজৰ বাবে সাজু হোৱা বিজেপিয়ে আজি




ঘোষণা কৰে ১৬ খন ৰাজ্য আৰু দুখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১৯৫ খন আসনৰ নিৰ্বাচনী প্ৰাৰ্থীৰ চূড়ান্ত তালিকা। উল্লেখ্য যে, এই তালিকাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি ৩৪ গৰাকী কেন্দ্ৰীয় আৰু শেষাংশ ২ পৃষ্ঠাত

# বিজেপিৰ প্ৰথম তালিকাত নাম নাহিল আইপিএছ আনন্দ মিশ্ৰৰ

**ই-সংবাদ, ২ মাৰ্চঃ** আজি বিজেপিয়ে প্ৰকাশ কৰা প্ৰাৰ্থী তালিকাত নাম নাই বহু চৰ্চিত আইপিএছ বিষয়া আনন্দ মিশ্ৰৰ৷ অসমৰ কেইবাখনো জিলাত অসম আৰক্ষীৰ বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰি চাকৰি ত্যাগ কৰি ৰাজনীতিৰ পথাৰলৈ যোৱা আইপিএছ আনন্দ মিশ্ৰক প্ৰাৰ্থীত্ব প্ৰদান কৰা হোৱা নাই বিজেপিয়ে৷ বিহাৰৰ বাক্সাৰ সমষ্টিত টিকট লাভ কৰিবলগীয়া আছিল আনন্দ মিশ্ৰই৷ কিন্তু প্ৰথম তালিকাত নাম নাই আনন্দ মিশ্ৰৰ৷ বিজেপিৰ টিকট লাভ কৰাৰ আশা কৰিয়েই চাকৰি ত্যাগ কৰিছিল আনন্দ মিশ্ৰাই৷ লখিমপুৰ জিলাত আৰক্ষী



অধীক্ষক হৈ থকাৰ সময়তে চাকৰি ত্যাগ কৰে৷ চাকৰিকালত বহু বিতৰ্কত সোমাই পৰিছিল আনন্দ মিশ্ৰ৷ নগাঁৱৰ আছুৰ নেতা কীৰ্তিকমল বৰাক এনকাউণ্টাৰ কৰিছিল৷ লগতে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ অমান্য কৰি সামাজিক মাধ্যমত ব্যস্ত থাকি মুখ্যমন্ত্ৰীৰ ৰোষত পৰিছিল৷ এইগৰাকী যুৱ বিষয়াই শেষত চাকৰি ত্যাগ কৰি সমাজসেৱা কৰিব খুজিছিল৷ বিহাৰৰ আৰাহৰ বাসিন্দা তথা বাক্সাৰ লোকসভা আসনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ টিকট বিচাৰিছে। সমষ্টিটোত বৰ্তমান কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী অশ্বিনী কুমাৰ চৌবে সাংসদ হৈ আছে৷ আনহাতে গৃহ আৰাহ সমষ্টিত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী আৰ পি সিং সাংসদ হৈ আছে৷ আনন্দ মিশ্ৰই বিজেপিৰ পৰা নিশ্চিতভাৱে টিকট লাভ কৰিব বুলি আশাবাদী৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## বাৰাণসীত মোদী, ১৯৫ সমষ্টিৰ

ৰাজ্যিক মন্ত্ৰীৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে। ইফালে বাৰানসীৰ পৰা পুনৰ নিৰ্বাচনত অৱতীৰ্ণ হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। সেইদৰে গুজৰাটৰ গান্ধীনগৰ লোকসভা সমষ্টিৰ পৰাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব গৃহমন্ত্ৰী অমিত শ্বাহেও। বিজেপিৰ প্ৰথমখন তালিকা প্ৰকাশ কৰি বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক বিনোদ তাৱড়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজেপিৰ বাবে ৩৭০খন আৰু এনডিএৰ বাবে ৪০০খন আসনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। তেওঁ কয়, 'আমি যোৱা কেইমাহমানৰ ভিতৰত এন ডি এ সম্প্ৰসাৰণ কৰিছো। আমি পুনৰ চৰকাৰ গঠন কৰিম বুলি দৃঢ় বিশ্বাসী।' মন কৰিবলগীয়া যে, পূৰ্বৰ নিৰ্বাচনৰ দৰেই এইবাৰো বিজেপিৰ তালিকাত বহু পৰিচিত মুখৰ নাম সন্নিবিষ্ট কৰা হৈছে। মধ্যপ্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানক বিদিশা আসনৰ পৰাই লোকসভা নিৰ্বাচনত প্ৰক্ষেপ কৰিছে দলটোৱে। গুণা আসনৰ পৰা জ্যোতিৰাদিত্য সিন্ধিয়াক প্ৰক্ষেপ কৰা হৈছে। লক্ষ্ণৌৰ পৰা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক প্ৰাৰ্থী হিচাপে থিয় কৰোৱা হৈছে। মনোজ তিৱাৰীয়েও দলৰ পৰা টিকট লাভ কৰিছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাইও লাভ কৰিছে লোকসভা নিৰ্বাচনৰ টিকট। ইফালে বিজেপিয়ে পুনৰবাৰ মথুৰা আসনৰ পৰা প্ৰক্ষেপ কৰিছে হেমা মালিনীক। দলৰ বিতৰ্কিত নেতা নিশিকান্ত ডুবেক পুনৰবাৰ গোড্ডাৰ আসনৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান কৰিছে নেতৃত্বই। একেদৰে কেন্দ্ৰীয় কৃষি মন্ত্ৰী অৰ্জুন মুণ্ডাই খুঁটি লোকসভাৰ আসনৰ পৰা টিকট লাভ কৰিছে। উল্লেখ্য যে, আজি অসমৰ ১১ খন আসনৰ বাবেও প্ৰাৰ্থীৰ নাম ঘোষণা কৰে বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বই। প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় জাহাজ, বন্দৰ, আৰু আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালক আগন্তুক ২০২৪ চনৰ লোকসভা নিৰ্বাচনত ডিব্ৰুগড় সংসদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী হিচাপে ঘোষণা কৰা হৈছে। মন কৰিবলগীয়া যে, ডিব্ৰুগড়ৰ সৈতে জড়িত হৈ আছে সৰ্বানন্দ সোণোৱালৰ ৰাজনৈতিক ইতিহাস। ২০০৪ চনত এই সমষ্টিৰ পৰাই প্ৰতিদ্বন্দ্বিতা কৰি সংসদলৈ নিৰ্বাচিত হৈছিল সোণোৱাল। ডিব্ৰুগড়ত সোণোৱালৰ থকা জনপ্ৰিয়তা আৰু প্ৰভাৱৰ বাবেই তেওঁক এই সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান কৰা বুলি অনুমান কৰা হৈছে। উল্লেখ্য যে, ডিব্ৰুগড়ৰ পৰা বিগত নিৰ্বাচনত প্ৰাৰ্থিত্ব লাভ কৰিছিল কেন্দ্ৰীয় পেট্ৰ'লিয়াম ৰাজ্য মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে। ইফালে চাহ জনগোষ্ঠীৰ নেতা কামাখ্যা প্ৰসাদ তাছাক এইবাৰ প্ৰদান কৰা হৈছে কাজিৰঙা সমষ্টিৰ প্ৰাৰ্থিত্ব। আনহাতে গুৱাহাটী সংসদীয় সমষ্টিৰ বাবে এইবাৰ বিজেপিয়ে প্ৰক্ষেপ কৰিছে নতুন চেহেৰা। বিজুলী কলিতা মেধিক থিয় কৰোৱা হৈছে এই সমষ্টিৰ পৰা। কিন্তু তপন গগৈ (যোৰহাট), দিলীপ শইকীয়া (মঙলদৈ) আৰু কৃপা নাথ মল্ল (কৰিমগঞ্জ) পুনৰ তেওঁলোকে প্ৰতিনিধিত্ব কৰা সমষ্টিৰ পৰাই নিৰ্বাচনত অৱতীৰ্ণ হ'ব। সাংস্কৃতিকভাৱে চহকী বৰাক উপত্যকাত অৱস্থিত অনুসূচিত জাতিৰ বাবে সংৰক্ষিত শিলচৰ সমষ্টিত কেবিনেট মন্ত্ৰী পৰিমল শুক্লবৈদ্যক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। প্ৰাক্তন ৰাজ্যিক সভাপতি ৰঞ্জিত দত্তক প্ৰক্ষেপ কৰা হৈছে শোণিতপুৰ সংসদীয় সমষ্টিৰ পৰা। ইয়াৰ উপৰিও সুৰেশ বৰাই নগাঁৱৰ পৰা আৰু অমৰ সিং টিছ'ই ডিফু সংসদীয় সমষ্টিৰ পৰা বিজেপিৰ টিকট লাভ কৰিছে। উল্লেখ্য যে, অসমৰ ১৪ খন আসনৰ ২ খন অগপ আৰু এখন ইউপিপিএলক এৰি দি মিত্ৰতাৰে প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সাজু হৈছে বিজেপি। সেই অনুসৰি ধুবুৰী আৰু বৰপেটা আসনত অসম গণ পৰিষদে আৰু কোকৰাঝাৰ সমষ্টিত ইউপিপিএলে প্ৰাৰ্থিত্ব আগবঢ়াব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰপেটা নাপাই মুখ্যমন্ত্ৰীক

ৰমেন ডেকা, ৰাজেন গোহাঁইৰ নাম মুখত লৈ অশোক শৰ্মাই এইসকল নেতাক আজি অৱহেলা কৰা বুলি মুকলিকৈ অভিযোগ উত্থাপন কৰে৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কংগ্ৰেছৰ পৰা বিজেপিলৈ অহা নেতাসকলক তীব্ৰ আক্ৰমণ কৰে৷ অশোক শৰ্মাই বৰপেটা সমষ্টিৰ পৰা টিকট দাবী কৰিছিল৷ কিন্তু শৰ্মাই টিকট পাবলগীয়া আছিল বাবেই বিজেপিৰ একাংশ লোকে আসনখন অগপক এৰি দিয়া বুলি অভিযোগ উত্থাপন কৰে৷ অশোক শৰ্মাই কয় যে প্ৰাৰ্থীত্ব নোপোৱাৰ বাবে মোৰ ক'বলগীয়া একো নাই৷ পাবলগীয়া আসন এখন আসন হেৰুৱাবলগীয়া হৈছে৷ যাৰ বাবে মোৰ মনত দুখ৷ বহুতে আসনখনত প্ৰাৰ্থীত্ব বিচাৰিছিল৷ কিন্তু নেতৃত্বক দোষামোদ কৰি বহুতে নিৰ্বাচন খেলিবলৈ গৈছিল৷ কিন্তু মই মোৰ নামেৰে নিৰ্বাচন খেলিবলৈ গৈছিলো৷ আসনখন অগপক দিব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে৷ ইয়াত ৰাজনৈতিক ষড়যন্ত্ৰৰ গোন্ধ পাইছো৷ যদি বিজেপিৰ হাতত থাকিলহেঁতেন তেন্তে মই প্ৰাৰ্থীত্ব পালোহেঁতেন৷ কাৰবোৰ মোৰ ওপৰত কুদৃষ্টি আছে৷ যদি মই সাংসদ হৈ দিল্লীলৈ যাও তেন্তে কাৰবোৰ শক্তি বৃদ্ধি হোৱাৰ ভয়তে আসনখন অগপক এৰি দিয়া হৈছে বুলি অভিযোগ আনে শৰ্মাই৷ শৰ্মাই এইটো এটা ষড়যন্ত্ৰ বুলি কৈ কয় 'এনে কৰাটো দেশৰ কাৰণে আৰু দলৰ কাৰণে ভাল নহয়৷ মোৰ দৰে বহু নেতা-কৰ্মী আছে৷ যিয়ে দলৰ কাৰণে বহু কষ্ট কৰিছে৷ কিন্তু তেওঁলোকে একো নাপালে৷ মইটো যথেষ্ট পাইছো৷ মহা শক্তিধৰ ব্যক্তি এজনে মোৰ দৰে সাধাৰণ লোক এজনক ভয় কৰি এই সিদ্ধান্ত লৈছে৷ তাৰ বাবে মোৰ তেওঁৰ প্ৰতি পুতৌ জন্মিছে৷ এইখিনি কথা কোৱাৰ বাবে মোৰ ওপৰত ব্যৱস্থা ল'ব পাৰে৷ তাৰ্লৈ মই ভ্ৰূক্ষেপ নকৰো৷ সাংসদ, বিধায়ক হৈ খোৱাৰ বাসনা মোৰ নাই৷ সাংবাদিকে বিজেপিত গণতন্ত্ৰ নোহোৱা হোৱা বুলি সোধা প্ৰশ্নৰ উত্তৰ দি অশোক শৰ্মাই কয় যে আপোনালোকে দেখা নাই নেকি? আপোনালোককে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কয়৷ আপোনালোকেও ক'ব পাৰে৷ জনমত গঠন কৰাৰ আহিলা আপোনালোক৷ সেই কথাটো আপোনালোকে ক'ব পাৰে৷ কিন্তু আজিকালি আপোনালোকে নকয়? সমাজ পৰিৱৰ্তিত হৈছে৷ যিমানে বিকশিত হ'ব সিমানে মৰেলিটি ল'ষ্ট হ'ব৷ ১৯৯৬ চনৰ ঘটনাত কথা উল্লেখ কৰি অশোক শৰ্মাই কয় যে সেই সময়ত নলবাৰীত বানপানীৰ গইনা লৈ মহাশক্তিধৰ আলফাই ৰাস বন্ধ কৰিব খুজিছিল৷ কিন্তু সেই সময়ত হিন্দু যুৱ-ছাত্ৰ, সংঘ, বিজেপিয়ে লগলাগি ৰাস পাতিছলো৷ তেতিয়া ৰাইজ ওলাই আহিছিল৷ কিন্তু আজি ৰাইজ ওলাই নাহে৷ সিদিনা মোক হৰি মন্দিৰৰ পৰা উলিয়াই দিলে৷ আজিৰ ৰাইজ ওলাই নাহে৷ কোনোবাই পোৱাৰ আশাত বন্দী হৈছে৷ ভয়, ভীতিত ত্ৰাসিত হৈছে৷ নাম নোলাৱাকৈ মুখ্যমন্ত্ৰীৰ কথা উল্লেখ কৰি শৰ্মাই কয় আমাৰ মুৰব্বীয়ে মই মই বুলি কৈ থাকে৷ বাক স্বাধীনতা নোহোৱা হৈছে৷ আজি মানুহ নিশ্চুপ হৈ আছে৷ বিদ্যুৎ বিলৰ উদাহৰণ দি শৰ্মাই কয় যে দুবছৰ আগত বিল কিমান আছিল আৰু আজি কিমান৷ মোক এজন বন্ধুৱে কৈছে মই হেনো মুখত চেলো টেপ লগাইছো৷ মই কিহৰ কাৰণে মনে মনে থাকো৷ দল বহুত ৩০-৪০ বছৰ ধৰি কাম কৰা মানুহ আছে৷ ৰমেন দাই বিজেপিৰ জন্মলগ্নৰ পৰাই আছে৷ তেখেতক সন্মানে এটা পদ দিব পাৰিলেহেঁতেন৷ ৰাজেন গোহাঁই ৰাজ্যিক সাধাৰণ সম্পাদক আছিল৷ চাৰিবাৰৰ সাংসদ৷ কেন্দ্ৰীয় মন্ত্ৰী আছিল৷ দলগাঁও সমষ্টিত এজন সাংসদে ভূমি আৱণ্টন দিয়াৰ নামত কিমান কোটি টকাৰ কেলেংকাৰী কৰাৰ কথা পোহৰলৈ আহিছে৷ তথাপিও তেওঁক অপসাৰণ কৰা নাই৷ সেই কাৰণে মই মনে মনে আছো৷ কিন্তু মানুহ ভীতিগ্ৰস্ত৷ অসমত বিজেপি দল আমি কৰিছো বুলি দাবী কৰি শৰ্মাই আৰু কয় যে মই দলৰ প্ৰতি ত্যাগ থকা বুলি নকও৷ দলে মোক যথেষ্ট দিছে৷ মোৰ লগত কাম কৰা বহুতে পোৱা নাই৷ মই মুখ খুলিলে ক্ষতি হ'ব পাৰে৷ বৰপেটা জিলাৰ সভাপতি অনিল দাসে কি পালে? মই জিলাৰ সভাপতি হৈ চৰকাৰ আনিছো৷ সেই অহংকাৰ কৰিব পাৰো৷ প্ৰতিখন জিলাত তেনে বহুত মানুহ আছে৷ গণতান্ত্ৰিক ব্যৱস্থা থকাৰ বাবেই মানুহে বিজেপিক ভোট দিছিল৷ ব্যক্তিগত ক্ষমতা চাই ভোট দিয়া বুলি ভাবিব নালাগে৷ ২০১৫ চনত কংগ্ৰেছৰ বহু হিতাধিকাৰী থকাৰ পাছতো কংগ্ৰেছ হাৰিছিল৷ বিজেপিত ধুমকেতু সদৃশ মানুহ অহা বুলি নাম নোলোৱাকৈ হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ কৰি অশোক শৰ্মাই কয় ''কংগ্ৰেছ অস্তিত্বহীন হোৱাৰ পাছত সেইসকল আমাৰ মাজলৈ আহিছিল৷ ৯বছৰ আগৰ কথা কিয় পাহৰি গ'ল৷ বিজেপিলৈ কিয় আহিছিল সেই কথা সংবাদমেল পাতি কৈছিল৷ অৱহেলাৰ বাবে অহা বুলি কৈছিল৷ কংগ্ৰেছৰ মানুহক আনি প্ৰতিষ্ঠা কৰিবলৈ পুৰণি বিজেপিক অৱহেলা কৰাৰ কথা অসমৰ প্ৰতিজন ৰাইজে জানে৷ শংকা অহাৰ বাবে কংগ্ৰেছৰ পৰা মানুহ আনিবলগীয়া হৈছে৷ মই সকলোৰে নাম মুখেৰে নলও৷ আপোনালোকে নাজানে আত্মহনন কৰা মানুহজনৰ বাবে শ্মশানলৈ যাবলগীয়া হ'লে পৰাচিত হ'ব লাগে৷ সৌ সিদিনালৈ সভাপতিয়ে বৰপেটা বিজেপিৰ হাতত থাকিব বুলি কৈছিল৷ ৰাজ্যিক সভাপতিৰ কথা নৰল৷ কাজিৰঙা দিব লাগিছিল অগপক৷ বৰপেটাত তিনি মন্ত্ৰী বিজেপিৰ আছে৷ জিকিব পৰা আসন এৰি দিছে৷ নিজৰ পত্নীক সন্তুষ্ট কৰিব নোৱাৰা মানুহেহে আন পুৰুষক পত্নীক উপভোগ কৰিবলৈ দিয়ে বুলিও কয় অশোক শৰ্মাই৷

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিত কংগ্ৰেছীৰ ভিৰ

নেতাসকলৰ বিজেপি দলত ক্ৰমাৎ বৃদ্ধি পাইছে আদৰা ব্যাপক জল্পনা-কল্পনাৰ অন্তত বিৰোধী কংগ্ৰেছৰ বৰঘৰ এৰি ৰজাঘৰীয়াৰ মানুহ হোৱা ৰাণা গোস্বামীকো আজি পদবী উপহাৰ দিয়ে বিজেপিয়ে৷ তিনিদিন পূৰ্বে কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি পদ ত্যাগ কৰি ৰাণা গোস্বামীয়ে বিজেপি দলত সম পৰ্যায়ৰ পদকে লাভ কৰিবলৈ সক্ষম হৈছে৷ আজি অসম প্ৰদেশ বিজেপিৰ সভাপতি ভৱেশ কলিতাই ৰাণা গোস্বামীক আজি উপ-সভাপতি পদত নিযুক্তি দিয়ে৷ এতিয়াৰ পৰা ৰাণা গোস্বামীয়ে অসম প্ৰদেশ বিজেপিৰ উপ-সভাপতি পদত কাৰ্যনিৰ্বাহ কৰিব৷ আজি ভৱেশ কলিতা স্বাক্ষৰিত বশিষ্ঠস্থিত বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ে প্ৰকাশ কৰা এক বিবৃতি যোগে ৰাণা গোস্বামীক ৰাজ্যিক উপ-সভাপতি নিযুক্তি দিয়া বুলি উল্লেখ কৰে৷ কিন্তু বহু পুৰণি কৰ্মীয়ে বিজেপি দলত যোগ্য স্থান নোপোৱাৰ অভিযোগ উত্থাপন কৰি আহিছে৷ এক কথাত ক'বলৈ গ'লে কংগ্ৰেছ নেতাৰে ভৰি পৰিছে অসম ৰাজ্যিক বিজেপি দল৷ বিজেপিত যোগদান কৰা প্ৰাক্তন কংগ্ৰেছী নেতাসকলেই বিজেপি দল আৰু চৰকাৰত বিভিন্ন পদবী কাৰ্যনিৰ্বাহ কৰিছে৷ চৰকাৰৰ শীৰ্ষ পদবী, মন্ত্ৰী, বিধায়ককে ধৰি বিভিন্ন পদবীত প্ৰাক্তন কংগ্ৰেছীক দেখা যায়৷ যাৰ ফলত বহু পুৰণি বিজেপি নেতা এতিয়া ৰাজনীতিৰ পথাৰত নিষ্ক্ৰিয় হৈ পৰিছে৷ তেনেদৰেই কংগ্ৰেছ এৰি গেৰুৱা বসন পিন্ধা ৰাণা গোস্বামীয়ে বহু প্ৰভাৱশালী পদবী লাভ কৰিছে৷ উল্লেখ্য যে, ২৪ ফেব্ৰুৱাৰীৰ সন্ধিয়া ৰাণা গোস্বামীৰ টোকলাইস্থিত গৃহত এখন সভা অনুষ্ঠিত হৈছিল। উক্ত সভাত দলৰ ভিতৰত গুৰুত্ব নোপোৱাৰ কথা প্ৰকাশ কৰি লোকসভা নিৰ্বাচনৰ পূৰ্বে দল ত্যাগ কৰাৰ সিদ্ধান্ত লয় গোস্বামীয়ে। ২০০৬ আৰু ২০১১ চনত যোৰহাট সমষ্টিৰ পৰা অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। ২০২১ চনৰ ২৪ জুলাইত অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি নিযুক্ত দিয়া হৈছিল গোস্বামীক। ইফালে, দিনদিয়েক পূৰ্বে কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগ দিয়া সুৰেশ বৰাকো আজি বিজেপিয়ে নগাঁও লোকসভা সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। এনেদৰে এতিয়া বিজেপি দলটোত প্ৰতিটো খোজতে বৃদ্ধি পাইছে কংগ্ৰেছ ত্যাগ কৰা নেতাৰ আদৰ। ইয়াৰ বিপৰীতে দলত ক্ৰমাৎ এলাগী হৈ পৰিছে একালৰ পুৰণি নিষ্ঠাৱান বিজেপি নেতা-কৰ্মীসকল। এনে পৰিপ্ৰেক্ষিতত পুৰণি কৰ্মীসকলে এই লৈ বিদ্ৰোহ ঘোষণা কৰিব নে একালৰ কংগ্ৰেছী নেতা-কৰ্মীসকলক বৰপীৰা পাৰি দি নিজে মৌন হৈ আগৰ দৰেই নিষ্ঠাসহকাৰে কাম কৰি যাব সেয়া লক্ষণীয় হৈ পৰিব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লুৰীণক চিন্তাত পেলাই ডিব্ৰুগড়ত

প্ৰাৰ্থীৰ নাম ঘোষণা কৰে শাসকীয় বিজেপি দলে৷ আগন্তুক লোকসভা নিৰ্বাচনত ৪০০ খন আসন লাভৰ শ্ল'গান দিয়া বিজেপিয়ে নিজৰ হাতত ৰখা অসমৰ ১১ খন আসনক গুৰুত্বসহকাৰে লোৱা দেখা গৈছে৷ বিজেপিয়ে সহযোগী দলক এৰি দিয়া তিনিখন আসনসহ অসমৰত কমেও ১২ খন আসন জয়ী হোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে৷ বিজেপিয়ে চাহ জনগোষ্ঠী, বাঙলা ভাষী, জনজাতীয় লোকক লক্ষ্য কৰি প্ৰাৰ্থীত্ব প্ৰদান কৰা দেখা গৈছে৷ বিজেপিৰ অসমৰ অন্যতম চেহেৰা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক আকৌ এবাৰ লোকসভা নিৰ্বাচনত প্ৰাৰ্থীত্ব প্ৰদান কৰিছে৷ গৃহ সমষ্টি ডিব্ৰুগড়ত টিকট প্ৰদান কৰি ডিব্ৰুগড় জয়ী হোৱাৰ অংক কৰিছে বিজেপিয়ে৷ কিন্তু চাহ জনগোষ্ঠীৰ নেতা ৰামেশ্বৰ তেলীক টিকটৰ পৰা বঞ্চিত কৰা হৈছে৷ ডিব্ৰুগড় সংসদীয় সমষ্টিৰ পৰা জয়ী হৈ ৰামেশ্বৰ তেলীয়ে কেন্দ্ৰীয় মন্ত্ৰী হৈ আছিল যদিও ৰামেশ্বৰ তেলীৰ বিপৰীতে সৰ্বানন্দ সোণোৱালক প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে৷ জানিব পৰা মতে, ৰামেশ্বৰ তেলীক ৰাজ্যসভালৈ প্ৰেৰণ কৰা হ'ব৷ লোকসভা নিৰ্বাচনৰ পাছতে ৰাজ্যসভাৰ পদ এৰিব সৰ্বানন্দ সোণোৱালে৷ উক্ত ৰাজ্যসভাৰ আসনখনত দিল্লীলৈ যাব তেলী৷ আনহাতে গুৱাহাটীৰ সাংসদ কুইন ওজাৰ টিকট কাটিছে বিজেপিয়ে৷ অকৰ্মণ্য সাসংদ বুলি খ্যাতি লাভ কৰা কুইন ওজাৰ টিকট কাটিলেও সন্মানীয় গুৱাহাটী সমষ্টিত মহিলাকে প্ৰাৰ্থীত্ব প্ৰদান কৰিছে বিজেপিয়ে৷ বিজেপিৰ অসম ৰাজ্যিক সমিতিত মহিলা নেত্ৰী ৰূপে সক্ৰিয় বিজুলি কলিতা মেধিক গুৱাহাটীত টিকট প্ৰদান কৰা হৈছে৷ বিজুলি কলিতা মেধি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অত্যন্ত ঘনিষ্ঠ নেত্ৰী৷ দৰং-ওদালগুৰি সমষ্টিত দিলীপ শইকীয়াক প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে৷ দিলীপ শইকীয়াই পূৰ্বৰ মঙলদৈ তথা এতিয়াৰ দৰং-ওদালগুৰি সমষ্টিত উন্নয়নৰ কাম নকৰা বুলি অভিযোগ উত্থাপন হৈ আহিছে৷ ব্যাপক বিৰোধৰ পাছতো দিলীপ শইকীয়াক প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে৷ শোণিতপুৰ সমষ্টিত বৰ্তমানৰ বিহালী সমষ্টিৰ বিধায়ক ৰঞ্জিত দত্তক প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে৷ ৰঞ্জিত দত্ত ৰাজ্যিক বিজেপিৰ সভাপতি পদত কাৰ্যনিৰ্বাহ কৰাৰ লগতে সৰ্বানন্দ সোণোৱালাৰ দিনত মন্ত্ৰী ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল৷ জ্যেষ্ঠ নেতা হৈও হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালত মন্ত্ৰীত্ব লাভ কৰা নাছিল৷ যাৰ ফলত নাৰাজ ৰঞ্জিত দত্তক দিল্লীলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লয় বিজেপিয়ে৷ যদি ৰঞ্জিত দত্ত জয়ী হয় তেন্তে বিহালীত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনত বৰ্তমানৰ তেজপুৰৰ সাংসদ পল্লৱলোচন দাসে টিকট লাভ কৰি প্ৰতিদ্বন্দ্বিতা কৰিব বুলি খবৰ ওলাইছে৷ লখিমপুৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ প্ৰদান বৰুৱাক প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে৷ শিলচৰত মন্ত্ৰী পৰিমল শুক্লবৈদ্যক প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে৷ ড০ ৰাজদ্বীপ ৰয়ৰ টিকট কাটি হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাৰ জ্যেষ্ঠ সদস্য পৰিমল শুক্লবৈদ্যক প্ৰাৰ্থীত্ব দিয়া হৈছে৷ মন্ত্ৰী হিচাপে পাৰদৰ্শিতা দেখুৱাব পৰা নাছিল পৰিমল শুক্লবৈদ্যই৷ শুক্লবৈদ্যক দিল্লীলৈ পঠিয়াব খুজি লোকসভা নিৰ্বাচনত প্ৰাৰ্থীত্ব দিয়া হৈছে৷ কৰিমগঞ্জত কৃপানাথ মাল্লাক প্ৰাৰ্থীত্ব দিয়া হৈছে৷ নগাঁৱত সুৰেশ বৰা, যোৰহাটত তপন কুমাৰ গগৈ, ডিফু অমৰ সিং তিছো', কাজিৰঙাত কামাখ্যা প্ৰসাদ তাছাক টিকট প্ৰদান কৰা হৈছে৷ ছয়মাহ আগত কংগ্ৰেছ এৰি বিজেপিলৈ আহিছিল সুৰেশ বৰা৷ সেইগৰাকী সুৰেশ বৰাকে বিশ্বাসত লৈ নগাঁৱত প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে৷ আনহাতে, ডিফুত প্ৰাৰ্থীত্ব দিয়া তিছো' কাৰ্বি স্বায়ত্ব পৰিষদৰ সিংঘাচন সমষ্টিৰ পাৰিষদ আৰু বৰ্তমানৰ ইএম৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘কা’ক লৈ এইবাৰ মৌন জুবিন

কৰিছে৷ কিন্তু এইবাৰ আন্দোলনৰ প্ৰতি তৎপৰতা শূন্য জুবিন গাৰ্গৰ৷ ২০১৯ চনত ‘কা’ বিৰোধী গণ আন্দোলনক সন্মুখৰ পৰা নেতৃত্ব দিয়াসকলৰ ভিতৰত জুবিন গাৰ্গো এজন আছিল৷ কিন্তু এইবাৰ জুবিন গাৰ্গৰ তৎপৰতা একেবাৰেই শূন্য৷ কিন্তু প্ৰায় ছয়মাহ পূৰ্বে জুবিন গাৰ্গে ‘কা’ বলবৎ হ’লে পুনৰ আন্দোলন কৰিম বুলি হুংকাৰ প্ৰদান কৰিছিল৷ কিন্তু শেহতীয়াকৈ লোকসভা নিৰ্বাচনৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰে নাগৰিকত্ব সংশোধনী আইনৰ বিধি বলবৎ কৰিবলৈ সাজু হৈছে৷ খোদ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আইনখন বলবৎ হ’ব বুলি উল্লেখ কৰিছিল৷ তাৰ ফলত ৰাজ্যত আন্দোলন কৰিবলৈ সাজু হৈছে দল-সংগঠন৷ কৃষক মুক্তি, ছাত্ৰ মুক্তিয়ে ইতিমধ্যে আন্দোলন আৰম্ভ কৰিছে৷ আছু আৰু যুৱ-ছাত্ৰ পৰিষদে ধাৰাবাহিক আন্দোলন ঘোষণা কৰিছে৷ কিন্তু এইবাৰ একেবাৰেই নিশ্চুপ হৈ আছে যুৱ প্ৰজন্মৰ আদৰৰ শিল্পী জুবিন গাৰ্গ৷ যোৱাবাৰ ইণ্টাৰনেট বন্ধ কৰি দিয়াৰ পূৰ্বে ফেচবুকত পোষ্ট দি সকলোকে লতাশিল খেলপথাৰলৈ মাতিছিল জুবিন গাৰ্গে৷ গুৱাহাটীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পী সমাজ আৰু আছুৰ সৈতে প্ৰতিবাদ সাব্যস্ত কৰিছিল৷ ‘কা’ কোনো কাৰণত বলৱৎ হ’বলৈ নিদিয়াৰ হুংকাৰ দিছিল৷ কিন্তু এইবাৰ সম্পূৰ্ণ ৰূপে তৎপৰতা নাই জুবিন গাৰ্গৰ৷ কিহৰ বাবে এইবাৰ সাৰ-সুৰ নাই যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ? কোৱা বাহুল্য যে সৰ্বানন্দ সোণোৱাল মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত ‘কা’ বিৰোধী আন্দোলন অধিক উগ্ৰ আৰু হিংসুক হোৱা দেখা গৈছিল৷ বিভিন্ন ঠাইত ৰাজহুৱা সম্পত্তি ধ্বংস কৰাৰ লগতে বিজেপিৰ বিধায়কৰ ঘৰ পৰ্যন্ত আক্ৰমণ হৈছিল৷ কিন্তু তিনি বছৰৰ পাছত যেন পৰিস্থিতি সলনি হৈছে৷ মুখ্যমন্ত্ৰীৰ আসনত হিমন্ত বিশ্ব শৰ্মা বহাৰ পাছতে বিজেপি দল আৰু চৰকাৰৰ প্ৰতি বহু মানুহৰ দৃষ্টিকোণ সলনি হোৱা পৰিলক্ষিত হৈছে৷ আন্দোলনৰ চোখ কমি অহাৰ লগতে ‘কা’ আন্দোলন কৰা বহু নেতাই বিজেপিত যোগদান কৰিছে৷ আছুৰ সেই সময়ৰ সভাপতি দিপাংক কুমাৰ নাথে বিজেপিত যোগদান কৰিছে৷ তাৰ পাছতো জুবিন গাৰ্গক লৈ আশাবাদী অনুৰাগী৷ অসম আৰু অসমীয়া জাতি বিৰোধী যিকোনো পদক্ষেপৰ বিৰুদ্ধে জুবিন গাৰ্গে থিয় হ’বই বুলি আশা বান্ধি ৰাখিছে অনুৰাগীয়েনো৷ তাৰ মাজতে জুবিন গাৰ্গে আজি এখন বিলাসী গাড়ী ক্ৰয় কৰিছে৷ জুবিনে এখন ৰেঞ্জ ৰভাৰ ক্ৰয় কৰি ফেচবুকত ফটো শ্বেয়াৰ কৰিছে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিজৰ মূৰত আৰক্ষী





গুলীয়াই আত্মহত্যা কৰে৷ এই মৰ্মান্তিক ঘটনা সংঘটিত হৈছে ডিব্ৰুগড়ৰ লাহোৱালৰ ৰংপুৰীয়াত৷ নামৰূপ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অনুপম গোৱালাই নিজকে শেষ কৰি পেলায়৷ লাহোৱালৰ ৰংপুৰীয়াত বিপুল গগৈৰ নামৰ লোকজনৰ ঘৰত এগৰাকী মহিলাক প্ৰথমে গুলীয়াই তাৰ পাছতে নিজৰ মূৰত গুলী মাৰি নিজকে শেষ কৰি পেলায় অনুপম গোৱালাই৷ জানিব পৰা মতে, শুকুৰবাৰে নিশা নামৰূপ আৰক্ষী থানাৰ পৰা ৭০ কিলোমিটাৰ অতিক্ৰম কৰি লাহোৱালত উপস্থিত হয় আৰক্ষী বিষয়া অনুপম গোৱালা৷ তাৰ পাছতে লোকজনৰ ঘৰলৈ যায়৷ লোকজনৰ ঘৰত তৰ্কাতৰ্কিত লিপ্ত হোৱাৰ পাছতে নিজ চাৰ্ভিছ পিষ্টলেৰে প্ৰথমে মহিলাক, তাৰ পাছতে নিজৰ মূৰত গুলীয়াই নিজকে শেষ কৰে বিষয়া গোৱালাই৷ গোৱালাৰ থিতাতে মৃত্যু হোৱাৰ লগতে গুলীবিদ্ধ মহিলাগৰাকীক ততাতৈয়াকৈ অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয়৷ মহিলাগৰাকীক সংকটজনক অৱস্থাত চিকিৎসা কৰি থকা বুলি জানিব পৰা গৈছে৷ পূৰ্বে গোৱালাই ডিব্ৰুগড়ৰ লাহোৱাল আৰু টেঙাখাত থানাত নিযুক্ত হৈ আছিল। একাংশ লোকৰ ভাষ্য মতে, সেই সময়তে এগৰাকী বিবাহিত মহিলাৰ সৈতে সু-সম্পৰ্ক গঢ়ি উঠিছিল৷ সমস্ত ঘটনা প্ৰেমজনিত কাৰণত সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে যদিও এই বাতৰি যুগুটোৱা পৰ্যন্ত কোনো লোকক আটক কৰা হোৱা নাই৷

# লোকসভাৰ পাছতে অসমত পুনৰ নিৰ্বাচন

**ই-সংবাদ, ২ মাৰ্চঃ** আজি বিজেপিয়ে লোকসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থীত্ব তথা টিকট ঘোষণাৰ পাছতে অসমবাসীয়ে লোকসভা নিৰ্বাচনৰ পাছতে পুনৰ নিৰ্বাচনৰ বাবে সাজু হ’ব লাগিব তাৰে ইংগিত দিছে। বিজেপিয়ে সহযোগী দলক এৰি দিয়া তিনিখন আসনৰ বাহিৰে ১১টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। এই ১১ প্ৰাৰ্থীৰ ভিতৰত কেইবাজনো নেতা জনপ্ৰিতিনিধি ৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। শোণিতপুৰ সমষ্টিত টিকট প্ৰদান কৰা ৰঞ্জিত দত্ত বিহালীৰ বিধায়ক। শিলচৰত টিকট প্ৰদান কৰা পৰিমল শুক্লবৈদ্য বিধায়ক তথা মন্ত্ৰী। ডিফুত সংসদীয় সমষ্টিত প্ৰাৰ্থীত্ব দিয়া অমৰ সিং তিছো’ কাৰ্বি স্বায়ত্ব পৰিষদৰ সিংহাচন সমষ্টিৰ পাৰিষদ আৰু বৰ্তমানৰ ই.এম। ডিব্ৰুগড়ত টিকট প্ৰদান কৰা সৰ্বানন্দ সোণোৱাল আৰু কাজিৰঙা সমষ্টিত টিকট প্ৰদান কৰা কামাখ্যা প্ৰসাদ তাছা ৰাজ্যসভাৰ সাংসদ। যাৰ ফলত ক’ব পাৰি যে লোকসভা নিৰ্বাচনত যদি বিজেপিয়ে প্ৰাৰ্থীত্ব প্ৰদান কৰা প্ৰাৰ্থীসকল জয়ী হয় তেন্তে লোকসভা নিৰ্বাচনৰ পাছতে পুনৰ এক নিৰ্বাচনী গৰম বতাব বলিব অসমত। বিহালী, বৰাকৰ ধলাই, কাৰ্বি স্বায়ত্ব পৰিষদৰ সিংহাচন পৰিষদীয় সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হ’ব। আনহাতে সৰ্বানন্দ সোণোৱাল আৰু কামাখ্যা প্ৰসাদ তাথা যদি জয়ী হয় তেন্ত দুখনকৈ ৰাজসভাৰ আসন খালী হ’ব। মুঠতে লোকসভা নিৰ্বাচনৰ পাছতে এক নিৰ্বাচনৰ বাবে সাজু হ’ব লাগিব ৰাজ্যৰ কেইবাটাও প্ৰান্ত।

# গুৱাহাটীত আদিংগিৰি ৰাষ্ট্ৰীয় নাট্য উৎসৱ

**গুৱাহাটী, ২ মাৰ্চঃ** ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ সহযোগত আৰম্ভ হৈছে আদিংগিৰি ৰাষ্ট্ৰীয় নাট্য উৎসৱৰ ৫ম সংস্কৰণ। অহা ৩ মাৰ্চলৈ অনুষ্ঠিত হ'বলগীয়া পঞ্চম আদিংগিৰি ৰাষ্ট্ৰীয় নাট্য উৎসৱ ২০২৪ৰ আয়োজনৰ বাবে গুৱাহাটী মহানগৰৰ দুটা স্থান বাছি লোৱা হৈছে। ১ আৰু ২ মাৰ্চৰ অনুষ্ঠানৰ বাবে মালিগাঁওস্থিত শংকৰদেৱ নগৰৰ আদিংগিৰি পাহাৰৰ অভিজ্ঞানম নাট্যক্ষেত্ৰ আৰু ৩ মাৰ্চৰ অনুষ্ঠান ঐতিহ্যমণ্ডিত মাছখোৱাৰ প্ৰাগজ্যোতি আইটিএ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত আয়োজন কৰাৰ পৰিকল্পনা কৰা হৈছে। উল্লেখ্য যে, গুৱাহাটীৰ মালিগাঁওস্থিত অভিজ্ঞানম নাট্যক্ষেত্ৰত আয়োজন কৰা হৈছিল উৎসৱৰ প্ৰথম ৪টা সংস্কৰণ। দ্বিতীয় দিনৰ অনুষ্ঠানৰ আৰম্ভণিতে নাট্য কলা আৰু প্ৰত্যক্ষ দৰ্শনীৰ লগতে কলাৰ ওপৰত গণমাধ্যমৰ গুৰুত্ব সম্পৰ্কে দুখন কৰ্মশালা অনুষ্ঠিত হয়। নয়ন প্ৰসাদ, মহেন্দ্ৰ দাস, ধনঞ্জয় দেৱ নাথ, অভিক ভট্টাচাৰ্য আৰু ড° কৰে প্ৰথম অধিবেশনটো সফলতাৰে সমাপন কৰাৰ পাছত দ্বিতীয় অধিৱেশন আগবঢ়াই নিয়ে আৰ জে হংসৰাজ নামেৰে জনপ্ৰিয় হংসৰাজ বৰপাত্ৰ গোহাঁই আৰু ভাস্কৰ বৰুৱাই। ইয়াৰ পিছতে উইলিয়াম শ্বেক্সপীয়েৰৰ জনপ্ৰিয় হেমলেট আৰু উৰিপাডিজৰ মেডিয়া নাটকৰ ওপৰত আধাৰিত 'টু কিল অৰ নট টু কিল' মঞ্চস্থ কৰা হয়। দিল্লীৰ অৰ্ণৱ আৰ্টৰ হৈ জিলমিল হাজৰিকাৰ অভিনয়েৰে মঞ্চস্থ হোৱা এই নাটখন পৰিচালনা কৰিছে উজবেকিস্তানৰ ওভলিয়াকুলি খোদজাকুলিয়ে। দিনটোৰ দ্বিতীয়খন নাটক আছিল অভিজ্ঞানমৰ দ্বাৰা পৰিৱেশিত, ৰণহাং চৌধুৰীৰ দ্বাৰা ৰচিত আৰু পৰিচালিত 'গান্ধী বনাম গডছে'। অনুষ্ঠানৰ মুকলি দিনটোত ৩০০ৰো অধিক উৎসাহী দৰ্শকে হোমেন বৰগোহাঁইৰ মৎস্যগন্ধাৰ আধাৰত নিৰ্মিত মেনকা নামৰ প্ৰথমখন নাটক উপভোগ পৰম আগ্ৰহেৰে উপভোগ কৰে। প্ৰাঞ্জল শইকীয়া, জিলমিল হাজৰিকা, সাৰদা চৌধাৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ উপস্থিতিৰ সমান্তৰালকৈ অনুষ্ঠানত পৰিবেশ্য কলা ক্ষেত্ৰৰ প্ৰায় ২৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়েও অংশগ্ৰহণ কৰে। আয়োজক অভিজ্ঞানমৰ তৰফৰ পৰা প্ৰসিদ্ধ নাট্য সমালোচক অতুল মজুমদাৰলৈ প্ৰয়াত দেৱব্ৰত চৌধুৰীৰ সোঁৱৰণী নাট্য ব্যক্তিত্ব সন্মান ২০২৪ আৰু বৰবিহুৱা ৰণ্টু শইকীয়ালৈ প্ৰয়াত বৰ্ণালী চৌধুৰীৰ সোঁৱৰণীত প্ৰদান কৰা লোকশিল্প সাধনা সন্মান ২০২৪ আগবঢ়োৱা হয়। ৩ মাৰ্চত সন্ধিয়া ৬ বজাৰ পৰা অভিজ্ঞানমে 'তৃতীয়' শীৰ্ষক নাটকখন মঞ্চস্থ কৰিব বুলি জানিবলৈ দিছে আয়োজকসকলে।

# কেফে বিস্ফোৰণক লৈ উত্তপ্ত কৰ্ণাটকৰ ৰাজনীতি

## শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ আশ্বাস মুখ্যমন্ত্ৰীৰ

**বাংগালুৰু, ২ মাৰ্চঃ** বাংগালুৰুৰ কেফেত সংঘটিত বিস্ফোৰণ কাণ্ডৰ তদন্তত নামি পৰিছে আৰক্ষী আৰু তদন্তকাৰী সংস্থা। শুকুৰবাৰে বাংগালুৰুৰ কুণ্ডলাহল্লীস্থিত ৰামেশ্বৰম কেফে নামৰ এখন জনপ্ৰিয় ৰেষ্টুৰেণ্টত সংঘটিত হৈছিল এটা বিস্ফোৰণৰ ঘটনা। প্ৰথমাৱস্থাত এয়া চিলিণ্ডাৰ বিস্ফোৰণ বুলি সন্দেহ কৰা হ'লেও পৰৱৰ্তী সময়ত এয়া এক আইইডি বিস্ফোৰণ বুলি নিশ্চিত কৰা হয়। ইফালে এই বিস্ফোৰণ কাণ্ডৰ তদন্ত আৰম্ভ কৰি ৰেষ্টুৰেণ্টখনত স্থাপন কৰা চিচিটিভিৰ লগতে আশে-পাশে থকা চিচিটিভিৰ ফুটেজ সংগ্ৰহ কৰিছে এন আই এ আৰু চোৰাংচোৱা ব্যুৰোৰ তদন্তকাৰী দলে। এই চিচিটিভিত এগৰাকী সন্দেহযুক্ত ব্যক্তিক ধৰা পেলোৱা হৈছে যদিও এতিয়াও ব্যক্তিজনৰ চিনাক্তকৰণ সম্ভৱ হোৱা নাই। আৰক্ষীৰ সূত্ৰ অনুসৰি, বিস্ফোৰণ কাণ্ডৰ প্ৰায় এক ঘণ্টা পূৰ্বে অৰ্থাৎ পুৱা ১১.৩৮ বজাত কান্ধত এটা বেগ লৈ ৰেষ্টুৰেণ্টখনত প্ৰৱেশ কৰিছিল ২৮-৩০ বৰ্ষীয় এজন সন্দেহযুক্ত ব্যক্তি। মুখত মাস্ক আৰু মূৰত বগা টুপী পৰিহিত যুৱকজনে তেওঁৰ মুখাৱয়ৱ আংশিকভাৱে ঢাকি ৰাখিছিল। গ্ৰাহকৰ ৰূপত প্ৰৱেশ কৰা এই যুৱকজনে প্ৰথমে এটা ইডলি অৰ্ডাৰ কৰে আৰু তাৰ পিছত ১১.৪৪ বজাত হাত ধুৱলৈ ৱাশ্ব বেছিনৰ ফালে যায়। আৰক্ষীয়ে সদৰী কৰা মতে, তাতেই যুৱকজনে বোমাৰ বেগটো থৈ ১১.৪৫ বজাত ৰেষ্টুৰেণ্টৰ পৰা ওলাই যায়। ইয়াৰ পিছতে ১২.৫৬ বজাত সংঘটিত হয় বিস্ফোৰণটো। উল্লেখ্য যে, শুকুৰবাৰে সংঘটিত এই বিস্ফোৰণত ৯ জন লোক আহত হৈছে যদিও আটাইকেইজন আহত সংকটমুক্ত বুলি জানিবলৈ দিয়ে মুখ্যমন্ত্ৰী সিদ্ধাৰামাইয়াই। শুকুৰবাৰৰ দিনটোতে তেওঁ সংবাদ মধ্যমৰ সৈতে বাৰ্তালাপ কৰি ৰামেশ্বৰম কেফে বিস্ফোৰণক লৈ তথ্য প্ৰদান কৰে। আনহাতে এই বিস্ফোৰণৰ পিছতে কৰ্ণাটকত আৰম্ভ হৈছে ৰাজনীতিক প্ৰতিক্ৰিয়াৰো। বিৰোধী বিজেপিয়ে বিস্ফোৰণ কাণ্ডক লৈ কংগ্ৰেছ চৰকাৰ আৰু মুখ্যমন্ত্ৰী সিদ্ধাৰামাইয়াক জবাবদিহি কৰিবলৈ চেষ্টা কৰে। প্ৰত্যুত্তৰস্বৰূপে মুখ্যমন্ত্ৰী সিদ্ধাৰামাইয়াই এই কাণ্ডক ৰাজনীতিকৰণ নকৰিবলৈ আহ্বান জনাই দোষীক অতি শীঘ্ৰে চিনাক্ত কৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে।



এনডিএত চামিলকৰণ সম্পূৰ্ণ, অমিত শ্বাহৰ সৈতে জয়ন্ত চৌধুৰীৰ বিশেষ বৈঠক সম্পন্ন

# এনডিএলৈ ৰাষ্ট্ৰীয় লোক দল

**নতুন দিল্লী, ২ মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ শক্তি বৃদ্ধি কৰা প্ৰয়াসে আজি আন এক মাত্ৰা লাভ কৰে। উত্তৰ প্ৰদেশত ভাৰতীয় জনতা পাৰ্টীয়ে আন এক মিত্ৰ দল লাভ কৰিলে। আজি ৰাষ্ট্ৰীয় লোক দলে শনিবাৰে আনুষ্ঠানিকভাৱে এনডিএত যোগদান কৰে। ৰাষ্ট্ৰীয় লোক দলৰ নেতা জয়ন্ত চৌধুৰীয়ে শনিবাৰে বিজেপি সভাপতি জে.পি নাড্ডা আৰু গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰি এনডিএত চামিল হোৱাৰ কথা স্পষ্ট কৰে। চৌধুৰীক সাক্ষাৎ কৰাৰ পিছত গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে জয়ন্ত চৌধুৰীক ডাঙৰীয়াক এনডিএ পৰিয়াললৈ স্বাগতম জনাইছো। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নীতিৰ ওপৰত বিশ্বাস প্ৰকাশ কৰি তেওঁ এনডিএলৈ অহাৰ ফলত কৃষক, দৰিদ্ৰ আৰু বঞ্চিত শ্ৰেণীৰ উন্নতিৰ বাবে আমাৰ সংকল্প অধিক শক্তিশালী হ'ব। আগন্তুক লোকসভা নিৰ্বাচনত, এনডিএ ৪০০ আসন অতিক্ৰম কৰি অমৃতকালত এক উন্নত ভাৰত গঢ়ি তুলিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

## গৌতম গম্ভীৰ, জয়ন্ত সিনহাৰ বিজেপি ত্যাগ!

# লোকসভা নিৰ্বাচনৰ পূৰ্বে ৰাজনীতি ত্যাগ বিজেপিৰ দুই সাংসদৰ



**ই সংবাদ, ২মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে যিদৰে ক্ষমতাৰ লালসাত অন্য দলৰ পৰা বিজেপিত যোগদান কৰা নেতা-পালিনেতাৰ উজান উঠিছে, ঠিক সেইদৰে বিজেপিৰ প্ৰতিও মোহভংগ ঘটিছে বহু নেতাৰ। সমাগত ২০২৪ৰ লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিজেপিয়ে প্ৰাৰ্থী তালিকা ঘোষণা কৰাৰ পূৰ্বেই দল ত্যাগ কৰাৰ ঘোষণা কৰিছে দুগৰাকী সাংসদে। অৱশ্যে দুয়োগৰাকী সাংসদেই দল সলনি কৰাৰ পৰিৱৰ্তে ৰাজনীতিৰ পৰা সন্যাস ল'ব বুলিহে স্পষ্ট কৰিছে। শনিবাৰে দিল্লীৰ বিজেপি সাংসদ তথা ক্ৰিকেটাৰ গৌতম গম্ভীৰে ৰাজনীতিৰ পৰা সন্যাস লোৱাৰ কথা ঘোষণা কৰাৰ পিছতে এইবাৰ সক্ৰিয় ৰাজনীতিৰ পৰা অৱসৰ লোৱাৰ ঘোষণা কৰিছে ঝাৰখণ্ডৰ হাজৰিবাগৰ বিজেপি সাংসদ তথা প্ৰাক্তন বিত্তমন্ত্ৰী যশৱন্ত সিনহাৰ পুত্ৰ জয়ন্ত সিনহাও। মোদী চৰকাৰৰ প্ৰথম কাৰ্যকালত বিত্ত ৰাজ্যিক মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা জয়ন্তই ৰাজনীতি ত্যাগ কৰাৰ কথা ছ'চিয়েল মিডিয়াযোগে ৰাজহুৱা কৰে। উল্লেখ্য যে, ২০১৪ চনত প্ৰথমবাৰৰ বাবে হাজৰিবাগ লোকসভা সমষ্টিৰ পৰা বিজেপিৰ টিকটত সংসদলৈ নিৰ্বাচিত হৈছিল জয়ন্ত সিনহা। পৰৱৰ্তী সময়ত ২০১৯ৰ নিৰ্বাচনতো একেটা সমষ্টিৰ পৰা তেওঁ জয়লাভ কৰে। কিন্তু এইবাৰ হাজৰিবাগ সমষ্টিৰ পৰা দলে আন প্ৰাৰ্থীক টিকট প্ৰদান কৰিব পাৰে বুলি চৰ্চা চলি থকাৰ সময়তে সক্ৰিয় ৰাজনীতিৰ পৰা অৱসৰ গ্ৰহণ কৰে সিনহাই। ইফালে ৫ বছৰতে ৰাজনীতিৰ পৰা মোহভংগ ঘটিছে প্ৰাক্তন ক্ৰিকেটাৰ তথা বিজেপিৰ সাংসদ গৌতম গম্ভীৰৰ। ২০১৮ চনত সকলো প্ৰকাৰৰ ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণাৰ পিছত ২০১৯ৰ মাৰ্চত বিজেপিত যোগদান কৰিছিল গম্ভীৰে। একে বছৰতে অনুষ্ঠিত লোকসভা নিৰ্বাচনত পূব দিল্লী আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি জয়লাভো কৰে গৌতম গম্ভীৰে। কিন্তু বিগত ৫ বছৰেই তেওঁৰ ৰাজনৈতিক জীৱনক লৈ উত্থাপন হৈ আহিছে অলেখ প্ৰশ্নৰ। সমষ্টিবাসীৰ হৈ সংসদত এবাৰলৈও মুখ মেলি নোপোৱা গম্ভীৰে ২০২৪ৰ নিৰ্বাচনত প্ৰাৰ্থিত্ব লাভ নকৰিব বুলিয়েই চৰ্চা আৰম্ভ হৈছিল। কিন্তু বিজেপিয়ে প্ৰাৰ্থী তালিকা ঘোষণা কৰাৰ পূৰ্বেই এক্স হেণ্ডেলযোগে ক্ৰিকেট সম্পৰ্কীয় কাৰণত ৰাজনীতি ত্যাগ কৰাৰ ঘোষণা কৰে গৌতম গম্ভীৰে। শনিবাৰে তেওঁ কয় যে তেওঁ দলৰ নেতৃত্বক ৰাজনৈতিক দায়িত্বৰ পৰা মুক্ত কৰিবলৈ অনুৰোধ জনাইছে যাতে তেওঁ আগন্তুক ক্ৰিকেট সম্বন্ধীয় প্ৰতিশ্ৰুতিত মনোনিৱেশ কৰিব পাৰে। এক্সত গম্ভীৰে লিখিছে, 'মই দলৰ সভাপতি জে.পি. নাড্ডাক মোৰ ৰাজনৈতিক কৰ্তব্যৰ পৰা সকাহ দিবলৈ অনুৰোধ জনাইছো, যাতে মই মোৰ ক্ৰিকেট খেলত মনোনিৱেশ কৰিব পাৰো। মোক জনতাৰ সেৱাৰ সুযোগ প্ৰদান কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছো।' উল্লেখযোগ্য যে বিজেপিয়ে এতিয়াও আনুষ্ঠানিকভাৱে প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই যদিও দলটোৱে ইতিমধ্যে বিভিন্ন আসনত নিজৰ প্ৰাৰ্থীৰ নাম অনুমোদন জনাইছে। সূত্ৰ অনুসৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিজেপিৰ বহু জ্যেষ্ঠ নেতাই কোনখন আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব সেই সন্দৰ্ভতো দলটোৱে সিদ্ধান্ত গ্ৰহণ কৰিছে।

## চাহ ব'ৰ্ড আৰু ভাৰত বাণিজ্য মন্ত্ৰালয়ৰ উদ্যোগত

# বাৰাণসীত অসমৰ চাহৰ গৌৰৱময় ২০০বছৰীয়া ইতিহাস উদযাপন

**ই-সংবাদ, চাবুৱা, ২ মাৰ্চঃ** অসমৰ চাহপাত অসমীয়া জাতিৰ বাবে মান-অভিমান স্বৰূপ। আজি বিশ্বৰ বুকুত অসমীয়া জাতিক চাহে পৰিচিত কৰি আহিছে। তাৰ মাজতে উত্তৰ প্ৰদেশ বাৰাণসীত অসমৰ চাহৰ গৌৰৱময় ২০০ বছৰীয়া ইতিহাস উদ্‌যাপন কৰা হৈছে। উত্তৰ প্ৰদেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমষ্টি বাৰাণসীত ১ মাৰ্চৰ পৰা ৭ মাৰ্চলৈ গৌৰৱময় ২০০ বছৰীয়া যাত্ৰাক লৈ বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমৰ বহু চাহ ব্যৱসায়ী তথা খেতিয়কে অংশগ্ৰহণ কৰিছে। এই অনুষ্ঠানত অসমৰ চাহখেতিৰ ইতিহাসক বিশদভাবে আলোচনা কৰা হ'ব। চৰকাৰৰ চাহ ব'ৰ্ড আৰু ভাৰতৰ বাণিজ্য মন্ত্ৰালয়ৰ উদ্যোগত বাৰাণসীত অসম চাহৰ গৌৰৱময় ২০০ বছৰীয়া যাত্ৰাক লৈ অনুষ্ঠিত অনুষ্ঠানত অসমৰ পৰা আসাম বট লিফ টি মেনুফেক্‌চাৰিংএচোছিয়েছনে অংশ কৰে। এচোছিয়েছনৰ অধ্যক্ষ চান্দ কুমাৰ গোহাঁই, কাৰ্যবাহী সদস্য আছলাম খান আৰু চন্দ্ৰজিৎ বৰুৱাই অসম আৰু অসমৰ চাহক প্ৰতিনিধিত্ব কৰিছে। এচোছিয়েছনে কাৰ্যবাহী সদস্য আছলাম খানে এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি অসমৰ চাহ আৰু বাৰাণসীৰ গভীৰ সম্পৰ্কৰ কথা উল্লেখ কৰে। কাৰ্যবাহী সদস্য আছলাম খানে কয় যে গংগা নদী আৰিু চাহৰ সম্পৰ্ক গভীৰ। গংগাৰ পাৰত পুৱাৰ চাহৰ পাছতহে কাম হয়। তাৰ পাছতে বাৰাণসীৰ মানুহে পাণ খায়। অসমৰ গামোচাই বাৰাণসীত প্ৰসিদ্ধি লাভ কৰিছে। এনেদৰেই অসম আৰু বাৰাণসীৰ মাজত সম্পৰ্ক গঢ়ি উঠিছে। বাৰাণসীত অসম চাহৰ গৌৰৱময় ২০০ বছৰীয়া যাত্ৰাক উদযানত উপস্থিত থাকি অসমৰ চাহ আৰু উত্তৰ প্ৰদেশৰ মানুহৰ সম্পৰ্কৰ কথা উল্লেখ কৰি লাহোৱালৰ ডিকম এএফটি কোম্পানীৰ সঞ্চালক আছলাম খানে আৰু কয় যে উত্তৰ প্ৰদেশত অসমৰ চাহৰ অধিক আদৰৰা। যেনেদৰে উত্তৰ প্ৰদেশত অসমৰ চাহপাত বিখ্যাত তেনেদৰে অসমৰ মানুহক আদৰ কৰে উত্তৰ প্ৰদেশৰ মানুহে।

# মৰিগাঁৱত দুষ্প্ৰাপ্য ডঁৰিক চৰাই উদ্ধাৰ প্ৰকৃতিপ্ৰেমী মঞ্চৰ

**ই-সংবাদ, লাহৰীঘাট ২ মাৰ্চঃ** আজি মৰিগাঁও জিলাৰ তৰাণি কলবাৰী গাঁৱত এটা দুষ্প্ৰাপ্য প্ৰজাতিৰ ডঁৰিক চৰাই উদ্ধাৰ হয়। প্ৰকৃতিপ্ৰেমী মঞ্চ-অসমে স্থানীয় লোকৰ সহায়ত ডঁৰিক চৰাইটো উদ্ধাৰ কৰি ৰক্ষা কৰে। দুষ্প্ৰাপ্য পক্ষীটোৰ লগতে এটা ফেচু চৰাই তেতেলীয়া পাহাৰত পুনৰ মুকলি কৰা হয়। প্ৰকৃতিপ্ৰেমী মঞ্চৰ সভাপতি হিতেশ শৰ্মা, ধীৰাজ পাতৰ, পাৰ্থ প্ৰতিমগৌতম, নিতুল ডেকা, ইৰেন ডেকা, জ্যোতিষ ডেকাৰ লগতে দেৱাংগ শৰ্মাই এই পদক্ষেপ গ্ৰহণ কৰে। মঞ্চই প্ৰজননৰ বাবে দূৰদূৰণিৰ পৰা অসমলৈ অহাএনে দুষ্প্ৰাপ্য পৰিভ্ৰমী পক্ষীক বধ কৰাৰ পৰা ৰক্ষা কৰি আহিছে। এই চৰাই প্ৰজাতিৰ লগতে উপ-প্ৰজাতি সমূহ পূৰ্বতে অসমতযথেষ্ট পৰিমানে দেখা গৈছিল যদিও বৰ্তমান কাজিৰঙা, মানাহ, দিহং- পাটকাই আদি ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যতহে দুই চাৰিটা দেখা যায়। জম্মু-কাশ্মীৰ, হিমালয়ৰ নেপাল, পাকিস্তানৰ পৰা পশ্চিম থাইলেণ্ডলৈকে অৰণ্যৰ অভ্যন্তৰ আৰু ঘাঁহনি অঞ্চলত দেখা যায় পক্ষীবিধ। মতা চৰাইৰ উপ-প্ৰজাতি ভেদে দেহৰ আকাৰ ভিন্ন যদিও সকলোৰে পাখি চিকচিকিয়া নীলা-ক'লা আৰু মাইকী চৰাইবোৰ সামগ্ৰিকভাৱে বাদামী ৰঙৰ হয়।



## ডিমাকুছিত বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ হুংকাৰ

# দৰং-ওদালগুৰিত বিপিএফৰ প্ৰাৰ্থী ফেক্টৰ নহয়




**ই-সংবাদ, শুক্লাই,২ মাৰ্চঃ** বিটিআৰৰ শাসকীয় ইউপিপিএল দলে লোকসভা নিৰ্বাচনক লৈ ব্যাপক তৎপৰতা আৰম্ভ কৰিছে৷ বিভিন্ন এলেকাত সভা-সমিতি কৰি দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ জোৰদাৰ প্ৰচাৰ চলাই থকাৰ মাজতে আজি দলটোৰ মহিলা মৰ্চাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত ডিমাকুছিত মত-বিনিময় সভা অনুষ্ঠিত হয়। ডিমাকুছিৰ বৰংগাজুলি সত্ৰ সভাগৃহত অনুষ্ঠিত মহিলাৰ মত-বিনিময় অনুষ্ঠান মুকলি কৰে ইউপিপিএল মহিলা কোষৰ সভানেত্ৰী প্ৰতিভা ব্ৰহ্মই। মহিলা কোষৰ কেন্দ্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদিকা মুৰ্ছিদা বেগমে সঞ্চালনা কৰা অনুষ্ঠানৰ আঁতধৰে কেন্দ্ৰীয় সাধাৰণ সম্পাদিকা হেলেনা স্বৰ্গীয়াৰীয়ে৷ বিটিআৰৰ মুখ্যকাৰ্যবাহী প্ৰমোদ বড়ো মুখ্য অতিথি হিচাপে উপস্থিত থাকি ইউপিপিএল দলে মহিলাৰ সৰ্বাংগীন উন্নতি কৰি সমাজখনক আগুৱাই নিব বুলি কয়৷ ইপিনে বিপিএফৰ দিনত যোৱা ১৭টা বছৰত ১৫ হাজাৰ লোকৰ মাটিৰ সমস্যা সমাধান কৰিছিল, ইউপিপিএলৰ দিনত এক লাখ ৬ হাজাৰ লোকৰ মাটিৰ সমস্যা সমাধান কৰা হ'ল৷ যি চৰকাৰে ৩ বছৰত এক লাখ ৬ হাজাৰ লোকৰ মাটিৰ সমস্যা সমাধান কৰিছিল, তেনে চৰকাৰক হাগ্ৰামা চৰকাৰে প্ৰশ্ন কৰাৰ কোনো কথাই নাহে৷ ইউপিপিএল চৰকাৰৰ দিনত শান্তি আহিছে৷ হাগ্ৰামাই বড়ো-অনাবড়োৰ ৰাজনীতি কৰিছিল৷ প্ৰমোদ বড়োয়ে লগতে কয় যে দৰং-ওদালগুৰিত বিপিএফৰ প্ৰাৰ্থী কোনো ফেক্টৰ নহয়৷ বিটিআৰৰ উপমুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰী, ইএম দাউবাইচা বড়ো, ইএম ড০ নিলুট স্বৰ্গীয়াৰী, এমচিএএলএ মাধৱ ছেত্ৰী, দিলীপ কুমাৰ বড়ো, এমচিএলএ চম্পাৱতী ডেকা উপস্থিত থাকে৷

# লাহৰিঘাটৰ হাঁহচৰাত প্ৰেমৰ চালনাৰে কিশোৰীক ব্লেকমেইলিং

**ই-সংবাদ, ২ মাৰ্চ, মৈৰাবাৰীঃ** মৰিগাঁও জিলাৰ লাহৰিঘাটৰ হাঁহচৰা বড়ীগাঁৱত সভ্য সমাজক লজ্জানত কৰা কাণ্ড সংঘটিত হৈছে৷ অষ্টম শ্ৰেণীত অধ্যয়নৰত ১৬ বছৰীয়া কিশোৰীক শাৰীৰিক শোষণ কৰাৰ অভিযোগ উত্থাপন হৈছে৷ জিকিৰুল ইছলাম নামৰ যুৱকে এনে কাণ্ড সংঘটিত কৰাৰ অভিযোগ উঠিছে৷ কিশোৰীৰ পৰিয়ালৰ অভিযোগ অনুসৰি হাঁহচৰাবৰী গাঁৱৰে সম্পৰ্কীয় ভাতৃ জিকিৰুল ইছলামে (২১) দীৰ্ঘদিনৰে পৰা কিশোৰীৰ সৈতে প্ৰেমৰ সম্পৰ্ক স্থাপন কৰি বিয়া পতাৰ প্ৰলোভন দিছিল৷ পাছত ব্লেকমেইলিং কৰি শাৰীৰিক সম্পৰ্ক স্থাপন গঢ়ে। কিশোৰীগৰাকীৰ পিতৃ-মাতৃয়ে এই কথা অৱগত হোৱাত মীমাংসা কৰিবলৈ চেষ্টা কৰে যদিও যুৱকজনে কিশোৰী আৰু পৰিয়ালক ভাবুকি দিয়ে। কিশোৰীগৰাকীৰঅশ্লীল ভিডিঅ' ভাইৰেল কৰাৰ ভাবুকি প্ৰদান কৰি শাৰীৰিক শোষণ কৰি অহাৰ অভিযোগ আনে কিশোৰীৰ পৰিয়ালে৷ কিশোৰীৰ পৰিয়ালে অৱশেষত ভেলৌগুৰি আৰক্ষীক এজাহাৰ দাখিল কৰে। জিকিৰুল ইছলামৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে কিশোৰীৰ পৰিয়াল আৰু ৰাইজে৷

# ১১বজালৈকে কাৰ্যালয়লৈ নহা বিষয়া-কৰ্মচাৰীক ধমক জিলা আয়ুক্তৰ

**ই-সংবাদ, লাহৰীঘাট ২ মাৰ্চঃ** ৰাজ্য চৰকাৰে কৰ্ম-সংস্কৃতি গঢ়িবলৈ প্ৰয়াস কৰিছে যদিও একাংশ বিষয়া-কৰ্মচাৰীয়ে কৰ্মত ফাকি দি আহিছে৷ তাৰ প্ৰমাণ পোৱা গ'ল আজি মৰিগাঁৱত৷ কাৰ্যালয়ত সময়মতে উপস্থিত নোহোৱা বিষয়া-কৰ্মচাৰীক অন-কেমেৰা ধমক দিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয় মৰিগাঁৱত৷ মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি পুৱা প্ৰায় ১০.৪৫ মিনিটত আয়ুক্তৰ কাৰ্যালয় আৰু ইয়াৰ আশে-পাশে থকা কেইবাটাও কাৰ্যালয় পৰিদৰ্শন কৰে। কাৰ্যালয়ত প্ৰায় ৯০ শতাংশ বিষয়া-কৰ্মচাৰীৰ অনুপস্থিতি স্বচক্ষে প্ৰত্যক্ষ কৰে৷ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই দুৰ্ভাগ্যজনক আখ্যা দি বিষয়টোক লৈ অত্যন্ত ক্ষোভ প্ৰকাশ কৰাৰ লগতে ১১ বজালৈকে কাৰ্যালয়ত উপস্থিত নোহোৱা বিষয়া-কৰ্মচাৰীসকলৰনৈমিত্তিক ছুটিৰ পৰা অৰ্ধদিন কৰ্তনৰ নিৰ্দেশ দিয়ে। কাৰ্যালয়সমূহত কৰ্মসংস্কৃতিৰ পৰিৱেশক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই কয় যে সমগ্ৰ প্ৰশাসন ব্যৱস্থাটোৰ মধ্যমণি জিলা আয়ুক্তৰ কাৰ্যালয়। এনে এটা কাৰ্যালয়ত বিষয়া-কৰ্মচাৰীৰ অনিয়মীয়া উপস্থিতি আৰু সময়মতে উপস্থিত নোহোৱাৰ দৰে কথাই সমগ্ৰ কৰ্মসংস্কৃতিত বিৰূপ প্ৰভাৱ পেলোৱাটো নিশ্চিত। কৰ্মজীৱনৰ নিৰ্ধাৰিত সময়খিনি কাৰ্যালয়ৰ নামত ব্যয় কৰাৰ পৰিৱৰ্তে বিভিন্নজনে বিভিন্ন অজুহাতত প্ৰায়ে কামৰ প্ৰতি অনিহা প্ৰদৰ্শন কৰে। এনে কাৰ্যই নিশ্চিতভাৱে কামৰ পৰিৱেশ বিনষ্ট কৰাৰ লগতে চৰকাৰী প্ৰশাসন যন্ত্ৰৰ পৰা বিভিন্ন সেৱা আৰু সুবিধা লাভ কৰাৰ ক্ষেত্ৰত জনসাধাৰণক বঞ্চিত কৰে। যদিএজনো সাধাৰণ লোক সংশ্লিষ্ট বিষয়া বা কৰ্মচাৰীৰ অনুপস্থিতিৰ বাবে কাৰ্যালয়ৰ পৰা উভতি যাবলগীয়া হয়, তেনেহ'লে প্ৰশাসন ব্যৱস্থাটোৰ বাবে তাতকৈ দুৰ্ভাগ্যজনক কথা একো নাই বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এনে হ'লে জিলা প্ৰশাসনৰ প্ৰতি ৰাইজৰ আস্থা নোহোৱা হৈ যাব বুলি তেওঁ উল্লেখ কৰে। তেওঁ অতি বিনম্ৰতাৰে নিজকে ইয়াৰ বাবে জগৰীয়া কৰি অতি দুখেৰে কয় যে আয়ুক্তৰ কাৰ্যালয়ত বিষয়া-কৰ্মচাৰীৰ উপস্থিতিৰ এনে দুখলগা ছবিয়ে হয়তো কোনোবাখিনিত আয়ুক্তগৰাকীৰ বিফলতাকে প্ৰতিফলিত কৰিছে। অনাগত সময়ত বিষয়া-কৰ্মচাৰী সময়মতে কাৰ্যালয়ত উপস্থিত নহ'লে বা কাৰ্যালয়ৰ সময়ত নাথাকিলে বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি স্পষ্ট কৰে। জিলাখনৰ প্ৰতিটো চৰকাৰী কাৰ্যালয় তেওঁ আকস্মিকভাৱে পৰিদৰ্শন কৰি বিষয়া-কৰ্মচাৰীৰ উপস্থিতি পৰ্যবেক্ষণ কৰিব বুলি উল্লেখ কৰে।

# ৰাম মন্দিৰলৈ গোলাঘাটৰ তীৰ্থ যাত্ৰী

**ই-সংবাদ, খুমটাই, ২ মাৰ্চঃ , ২ মাৰ্চঃ** চৰকাৰৰ আস্থা ৰে'লসেৱা যোগে আজি গোলাঘাট জিলাৰ তীৰ্থ যাত্ৰীৰ দলে অযোধ্যাৰ ৰাম মন্দিৰলৈ যাত্ৰা আৰম্ভ কৰে৷ ৰাম মন্দিৰ দৰ্শনৰ বাবে যোৱা তীৰ্থ যাত্ৰীৰ দলটোত প্ৰায় ১৬৩৮ গৰাকী লোক আছে। জ্যেষ্ঠ নাগৰিকৰ দলটোৱে ৰাম মন্দিৰ দৰ্শনৰ বাবে অযোধ্যাত উপস্থিত হ'ব।ৰাম মন্দিৰ দৰ্শনৰ ক্ষেত্ৰত উত্তৰ প্ৰদেশৰ যোগী আদিত্য নাথ চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাক শলাগ লৈছে তীৰ্থযাত্ৰীসকলে। ৰে'ল বিভাগৰো ব্যৱস্থাপনাকো শলাগ লৈছে তীৰ্থ যাত্ৰীসকলে। ৰাম মন্দিৰৰ ব্যৱস্থাপনা সমিতিয়েও অসমৰ লগতে বিভিন্ন ৰাজ্যৰ পৰা যোৱা ভক্তসকলৰ আদৰ আপ্যায়নত কোনো ত্ৰুটি নৰখাৰ কথা স্বীকাৰ কৰিছে অসমৰ তীৰ্থযাত্ৰীসকলে। ৰাম মন্দিৰ দৰ্শনৰ ক্ষেত্ৰত নৰেন্দ্ৰ মোদী চৰকাৰে লোৱা পদক্ষেপক শলাগ লয় ৰাইজে৷



অল ইণ্ডিয়া পুলিচ ইকুৱেষ্ট্ৰিয়ন চেম্পিয়নশ্বিপত অংশ লোৱা অশ্বাৰোহী দলক সম্বৰ্ধনা ডিজিপি জি.পি সিঙৰ

# শেষ পৃষ্ঠা

## মহিলা ফুটবল দলত প্ৰশিক্ষক

**নতুন দিল্লী, ২ মাৰ্চঃ** ভাৰতীয় মহিলা ফুটবল দলৰ নতুন প্ৰশিক্ষক নিযুক্ত দিয়া হ'ব। আজি সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ মহিলা কোষে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ উপৰিও অনা 'এ' আৰু 'বি' প্ৰমাণপত্ৰধাৰী প্ৰশিক্ষক নিযুক্ত দিয়াৰ কথা বিবেচনা কৰিছে ফেডাৰেচনে। শেহতীয়াভাৱে ভাৰতীয় মহিলা দলে ঢাকাত যুটীয়াভাৱে ১৯ বছৰ অনুৰ্দ্ধ ছাফ ফুটবল চেম্পিয়ন হৈছে। ইয়াৰ লগতে মহিলা দলে তাৰ্কিছ কাপত ৰানাৰ্চ আপৰ সন্মান লাভ কৰে। সেয়ে ফেডাৰেচনে মহিলা ফুটবলৰ প্ৰতি গুৰুত্ব আৰোপ কৰিছে।

## আই পি এলত ধোনীক লৈ বাঢ়িছে শংকা

**ই সংবাদ, ২মাৰ্চঃ** IPL ২০২৪ৰ মুকলি দিনত এম এছ ধোনীৰ দল চেন্নাই ছুপাৰ কিংছে খেলপথাৰত প্ৰৱেশ কৰিছে। ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৰ সৈতে প্ৰতিদ্বন্দ্বিতা হৈছে। এতিয়া নতুন ছিজনৰ প্ৰস্তুতিত ব্যস্ত ধোনী। কিন্তু এইটো ধোনীৰ শেষ IPL ছিজন নেকি তাকে লৈ অনুৰাগীৰ মনত বিভিন্ন প্ৰশ্নৰ সৃষ্টি হৈছে। ৫ বাৰৰ চেম্পিয়ন অধিনায়কজনক শেষবাৰৰ বাবে এইবাৰ IPLৰ ছিজনত দেখা যাব পাৰে বুলি আশংকা কৰা হৈছে। শেহতীয়াকৈ এম এছ ধোনীৰ প্ৰিয় বন্ধু পৰমজিৎ সিঙে IPL আৰম্ভ হোৱাৰ পূৰ্বে এটা ডাঙৰ খবৰ দিছে। এক সাক্ষাৎকাৰত পৰমজিৎ সিঙে আশা প্ৰকাশ কৰে যে পৰৱৰ্তী IPLতো এম এছ ধোনীক খেলা দেখা যাব। কিছুদিন পূৰ্বে ধোনীয়ে পৰমজিৎ সিঙৰ ক্ৰীড়া সা-সৰঞ্জামৰ দোকানৰ ষ্টীকাৰ বেটেত লগাই অনুশীলন কৰি থকা দেখা গৈছিল। এতিয়া পৰমজিতে ধোনীৰ বিষয়ে ভাল খবৰ দিছে। কিন্তু ধোনীয়ে সঁচাকৈ IPLৰ এইবাৰৰ ছিজনত অংশ ল'ব নে নাই সেয়া তেওঁ এতিয়ালৈ স্পষ্ট কৰা নাই।




# পত্নীক কাষত লৈ হঠাৎ আম্বানীৰ চকুত চকুপানী

**ই সংবাদ, ২মাৰ্চঃ** দেশৰ ভিতৰতে আটাইতকৈ ধনী ব্যক্তিগৰাকাৰীৰ চকুত চকুপানী! ৰাজনীতিকৰ দৰে পিছে এয়া ঘৰিয়ালৰ চকুপানী নহয়, সঁচাকৈয়ে উচুপি উঠা দেখা গ'ল দেশৰ ভিতৰতে আটাইতকৈ ধনী ব্যক্তি মুকেশ আম্বানীক। দৰাচলতে মুকেশ আম্বানীৰ কনিষ্ঠ পুত্ৰ অনন্ত আম্বানীৰ প্ৰাক-বিবাহৰ অনুষ্ঠান চলি আছে গুজৰাটৰ জামনগৰত। আম্বানীৰ জন্মভূমি এই জামনগৰতে তিনিদিনীয়াকৈ আয়োজন কৰা প্ৰাক-বিবাহ অনুষ্ঠানত আম্বানী পৰিয়ালে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰিছে। আমন্ত্ৰিত অতিথিক নিজ হাতে অপ্যায়ন কৰিছে মুকেশ আম্বানী, পুত্ৰ অনন্ত আৰু আম্বানী পৰিয়ালৰ হ'বলগীয়া বোৱাৰী ৰাধিকা মাৰ্চেণ্টে। অনুষ্ঠানলৈ অহা অভ্যাগতক পদূলিমুখত সেৱা লৈ আদৰণিও জনাইছে হ'বলগীয়া পতি-পত্নীহালে। সামাজিক মাধ্যমত ইতিমধ্যে ভাইৰেল হৈ পৰিছে প্ৰাক-বিবাহ অনুষ্ঠানৰ বহু ভিডিঅ'। ইফালে শনিবাৰে আছিল এই অনুষ্ঠানৰ দ্বিতীয় দিন। শনিবাৰে এই অনুষ্ঠানত মঞ্চৰ কাৰ্যক্ৰমত মঞ্চত থিয় হৈ থকা দেখা যায় দৰা অনন্ত আম্বানী আৰু কইনা ৰাধিকাক। সেই সময়তে অনন্তৰ এষাৰ কথাত উচুপি উঠে দেশৰ আটাইতকৈ ধনাঢ্য ব্যক্তিগৰাকী। দৰাচলতে মঞ্চৰ ওপৰত অনন্তই তেওঁৰ হ'বলগীয়া পত্নীক উদ্দেশ্যি কোৱা শুনা যায়, "মোৰ পৰিয়ালৰ লোকে দিনে নিশাই কষ্ট কৰি এই অনুষ্ঠানটো কেৱল মোৰ আনন্দৰ বাবেই আয়োজন কৰিছে। যোৱা দুই-তিনিমাহ ধৰি কোনোৱেই ৰাতি ২-৩ ঘণ্টাতকৈ বেছি শুব পৰা নাই।" অনন্তই এইদৰে কোৱাৰ সময়ত মঞ্চৰ সন্মুখত বহি আছিল পিতৃ-মাতৃ, ভাতৃ আকাশ, ভগ্নী ঈশা আৰু পৰিয়ালৰ বাকীসকল সদস্য। পুত্ৰৰ শাৰীৰিক অৱস্থা আৰু জীৱন যাত্ৰাৰ কাহিনী শুনি সেই সময়ত মুখখন বেকা কৰি উচুপি উঠা দেখা যায় মুকেশ আম্বানীক।




newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান